দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১ ছেপ্টেম্বৰ, দেওবাৰ, ২০২৪ পৃষ্ঠা ১১

# দিছপুৰ মহাবিদ্যালয়ত হস্তনিৰ্মিত সামগ্ৰীৰ প্ৰদৰ্শনী প্ৰতিযোগিতা

গুৱাহাটী, ৩১ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয়ত উদ্যমিতা উন্নয়ন কোষৰ উদ্যোগত আৰু ব্যৱস্থাপনা বিভাগৰ সহযোগত আজি এখনি হস্তনিৰ্মিত সামগ্ৰী আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শনী প্ৰতিযোগিতা আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই উদ্বোধন কৰি কয় যে প্ৰতি বছৰে আয়োজন কৰি অহা হস্তনিৰ্মিত সামগ্ৰীৰ এই প্ৰদৰ্শনীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মনত উদ্যমিতাৰ মনোভাৱ গঢ়ি উঠিছে। উদ্যমি কোষৰ আহ্বায়ক ড° মৌচুমী দেৱীয়ে অনুষ্ঠান পৰিচালনা কৰে।